অসম চৰকাৰ
Govt of Assam

জনতাৰ চৰকাৰ | my GOV मेरी सरकार

# সদ্ভাৱনা প্ৰকল্প

**অসম সচিবালয়ত** ক্ষিপ্ৰ গতিত ফাইল নিষ্পত্তিকৰণৰ দিশত অসম চৰকাৰৰ বিশেষ পদক্ষেপ





জনসাধাৰণৰ সেৱাত উৎসৰ্গিত

# সদ্ভাৱনা



জনতাৰ চৰকাৰ | my GOV मेरी सरकार

যি পৰিৱৰ্তনৰ বাবে জনসাধাৰণে অপেক্ষা কৰি আছে সেই ক্ষেত্ৰত আমাৰ কাৰ্যালয় ব্যৱস্থাপনা সৰলীকৃত আৰু জন অনুকূল কৰাটো সময়ৰ এক আহ্বান। জনতাৰ সেৱাৰ প্ৰতি এটা উৎসৰ্গীকৃত মনোভাবেৰে উচ্চ পদবীৰ পৰা চতুৰ্থ শ্ৰেণীৰ বিষয়া-কৰ্মচাৰীলৈকে সমূহীয়া সহযোগিতাৰে আমি কাম কৰিব লাগিব তেতিয়াহে আমাৰ সমাজখন পৰিৱৰ্তনৰ দিশে আগবাঢ়িব আৰু অসম দেশৰ ভিতৰতে এখন লেখত ল'বলগীয়া ৰাজ্য হিচাপে পৰিগণিত হৈ পৰিব। সদ্ভাৱনা প্ৰকল্প এই দিশত অসম চৰকাৰৰ এক গুৰুত্বপূৰ্ণ পদক্ষেপ। পুৰণি ফাইলসমূহ নিৰ্ধাৰিত সময়ৰ ভিতৰত কাৰিকৰী পদ্ধতিৰে আমি সমূহীয়াভাৱে নিষ্পত্তি কৰিব লাগিব। সদ্ভাৱনা প্ৰকল্পৰ সমান্তৰালভাৱে স্বচ্ছ ভাৰত অভিযানৰ ৰূপায়ণ এই উদ্যমৰ এক বিশেষ বৈশিষ্ট্য। তদুপৰি পৰ্যায়ক্ৰমে চৰকাৰী কাৰ্যালয়ত ই-অফিচ ব্যৱস্থাপনা প্ৰৱৰ্তনে বিকাশৰ বিশেষ মাত্ৰা প্ৰদান কৰিব। কাৰ্যালয় ব্যৱস্থাপনাৰ এই সৰলীকৃত পদ্ধতিয়ে জনতাৰ সেৱাৰ বাবে গ্ৰহণ কৰা আমাৰ নিৰন্তৰ প্ৰচেষ্টাসমূহত এক নতুন দিগন্তৰ সূচনা কৰিব বুলি মই দৃঢ় বিশ্বাসী।

**ড° হিমন্ত বিশ্ব শৰ্মা**
মুখ্যমন্ত্ৰী, অসম



# বিশেষত্বসমূহ

- ২০২১ চনৰ ১০ মে'লৈকে নিষ্পত্তি নোহোৱাকৈ থকা বিভিন্ন বিভাগৰ ফাইল সম্ভাৱনা প্ৰকল্পৰ অধীনত নিষ্পত্তি কৰা হ'ব।
- ২০২২ চনৰ ১৫ আগষ্টৰ ভিতৰত ফাইলসমূহৰ নিষ্পত্তি সম্পূৰ্ণ কৰা হ'ব।
- নাগৰিকসকলৰ বাবে ফাইলসমূহৰ স্থিতি সম্ভাৱনা প'ৰ্টেলৰ জৰিয়তে ট্ৰেক কৰাৰ সুবিধা থাকিব।
- তদুপৰি চৰকাৰে প্ৰকল্পৰ ৰূপায়ণ এক ডেছবৰ্ড (Dashboard)ৰ জৰিয়তে নিৰীক্ষণ কৰিব।



# সম্ভাৱনা প্ৰকল্পত থাকিব দুটা পৰ্যায়

## পৰ্যায় ১

প্ৰথম পৰ্যায়ত নাগৰিকসকলক দুমাহৰ সময়সীমাৰ ভিতৰত পুৰণি গোচৰৰ সৈতে জড়িত চৰকাৰী যোগাযোগৰ প্ৰসংগ বা ফাইল নম্বৰ দি পঞ্জীয়নৰ সুযোগ দিয়া হ'ব। প'ৰ্টেলৰ জৰিয়তে অনলাইনযোগে এই পঞ্জীয়ন কৰিব পৰা যাব। যিসকলৰ ইণ্টাৰনেটৰ সুবিধা নাই তেওঁলোকে ৰাজহুৱা সেৱা কেন্দ্ৰৰ জৰিয়তে পঞ্জীয়ন কৰিব পাৰিব আৰু তেওঁলোকক এটা ইউনিক নম্বৰ প্ৰদান কৰা হ'ব।

## পৰ্যায় ২

বিভাগসমূহক ২০২২ চনৰ ১৫ আগষ্টৰ ভিতৰত সকলো পুৰণি ফাইল নিষ্পত্তি কৰি সেইসমূহ বন্ধ কৰাৰ বাবে সময় দিয়া হ'ব। ফাইলসমূহ নিষ্পত্তি কৰাৰ অৰ্থ এইটো নহয় যে ফাইলৰ ক্ষেত্ৰত গ্ৰহণ কৰা সিদ্ধান্ত ইতিবাচক হ'ব। বিভাগসমূহে ফাইলসমূহ ভালদৰে অধ্যয়ন কৰি এক চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিব। ফাইলসমূহ নিষ্পত্তিৰ পাছত সেইবোৰ বন্ধ কৰি সুৰক্ষিতভাৱে ৰখা হ'ব।



# সদ্ভাৱনা প্ৰকল্প — জনসাধাৰণৰ সুবিধাৰ্থে অসম চৰকাৰৰ বিনম্ৰ প্ৰয়াস

- এক সমীক্ষাত প্ৰকাশ পোৱা অনুসৰি প্ৰতিদিনে ৩০০ৰ পৰা ৭০০ লোকৰ সচিবালয়লৈ আগমন ঘটে। ক'ভিড-১৯ মহামাৰীৰ বাবে এই সংখ্যা বৰ্তমান যথেষ্ট সীমিত হৈ আছে যদিও প্ৰকৃত সংখ্যা ইয়াতকৈ বহু বেছি।
- ৰাইজৰ মতামতৰ ভিত্তিত জানিব পৰা মতে আগমনৰ মূল কাৰণসমূহৰ ভিতৰত আছে পুৰণি বিল বা ফাইল, কমিউটেচন অৱ পেঞ্চন, প্ৰাদেশিকীকৰণ, নিযুক্তি, সেৱা আদি বিষয়সমূহ।
- সচিবালয়লৈ শিক্ষা, লোক নিৰ্মাণ, পেঞ্চন তথা ৰাজহুৱা অভিযোগ, জলসিঞ্চন, সমাজ কল্যাণ আদি বিভাগৰ কামত অধিকাংশ লোকৰ আগমন ঘটে। ইয়াৰে চৰকাৰী কৰ্মচাৰী হ'ল ২৯%, ঠিকাদাৰ ২৪%, শিক্ষকতাৰ সৈতে জড়িত লোক ১২%, সাধাৰণ ৰাইজ ৭%, কৰ্প'ৰেট খণ্ডৰ সৈতে জড়িত লোক ৬.৫% আৰু অৱসৰপ্ৰাপ্ত লোক ৬%।
- সদ্ভাৱনা প্ৰকল্পৰ জৰিয়তে এবাৰতে এই সকলো গোচৰ/ফাইল নিষ্পত্তি কৰি জনসাধাৰণক সকাহ দিবলৈ প্ৰয়াস কৰা হ'ব।



অসম চৰকাৰ
Govt of Assam


# সম্ভাৱনা প্ৰকল্প প'ৰ্টেলৰ কাৰ্য পদ্ধতি







# সদ্ভাৱনা প্ৰকল্প

**নাগৰিকসকলে অসম লোক সেৱা প'ৰ্টেলৰ জৰিয়তে সদ্ভাৱনা এপ্লিকেচন ব্যৱহাৰ কৰিব পাৰিব**



# নাগৰিকৰ বাবে ব্যৱস্থাপূৰ্ণ কৰ্ম পদ্ধতি

**১** নাগৰিকসকলৰ বাবে ব্যৱহাৰকাৰী-অনুকূল মাধ্যমেৰে আৰ টি পি এছ প'ৰ্টেলৰ জৰিয়তে উপলব্ধ হ'ব



GOVERNMENT OF ASSAM | ADMINISTRATIVE REFORMS AND TRAINING DEPARTMENT

**RIGHT TO PUBLIC SERVICES**

*A Comprehensive Citizen Platform*

An Initiative of the Administrative Reforms, Training, Pension and Public Grievances Department

| TRACK STATUS | DASHBOARD | DEPARTMENT LOGIN

**Pending file disposal system**

*→ All fields marked as * are mandatory.*
*→ Please enter details of cases/files prior to May 2021(Cases till 30th April 2021).*

**Personal and Communication Details**

Mobile Number *
Enter your mobile number and verify | Verify
Provide Mobile number in order to receive SMS alerts related to your grievance

Select Whether *
Individual | Organization/Association

Name *
Enter your name

Gender *
Male | Female | Others

Country *
India

State *
Assam

District *
Choose One

Address 1*
Enter your Flat/Door/Block No.

Address 2
Enter your Name of Premises, Road/Street

Address 3
Enter your Area/Locality

Pincode *
Enter your pincode

Email ID
Enter your email ID

**File/Case Details**

File number

Letter number (In absence of file number)

Department where the case is pending *
Choose One

Category *
Choose One

Pending Since

Reference no. of correspondence made by the govt/to the govt.

Any other reference

File/Case Description *
Write your description here
Maximum 3000 characters are allowed in description (3000 Remaining )


Attach relevant/Supporting Documents (If any)
Choose File No file chosen
Only PDF file upto 2 MB allowed

**Declaration**


☐ I/We hereby state that the fact mentioned above are true to the best of my knowledge and belief.


Submit | Back

২ নাগৰিকসকলে **OTP** আধাৰিত প্ৰমাণীকৰণ পদ্ধতিৰ জৰিয়তে আবেদন দাখিল কৰিব পাৰিব





৩ **OTP** দাখিল কৰি প্ৰপত্ৰখনৰ সকলো বাধ্যতামূলক ক্ষেত্ৰ পূৰণৰ পাছত আবেদন দাখিল কৰাৰ পূৰ্বে ছিষ্টেমটোৱে নিশ্চয়তাৰ স্পষ্টীকৰণ বাৰ্তা প্ৰেৰণ কৰিব।





GOVERNMENT OF ASSAM | ADMINISTRATIVE REFORMS AND TRAINING DEPARTMENT
RIGHT TO PUBLIC SERVICES
A Comprehensive Citizen Platform
An Initiative of the Administrative Reforms, Training, Pension and Public Grievances Department
TRACK STATUS | DASHBOARD | DEPARTMENT LOGIN
Pending file disposal system
--- All fields marked as * are mandatory.
--- Please enter details of cases/files prior to May 2021(Cases till 30th April 2021)
Personal and Communication Details
Mobile Number *
9401248509
Select Whether *
Individual
Organization/Association
Name *
Banashree Baruah
Gender *
Male
Female
Others
Country *
India
State *
Assam
District *
Kamrup Metropolitan
Address 1 *
Dispur
Address 2
Dispur
Address 3
Dispur
Pincode *
781005
Email ID
banashreebaruah@gmail.com
File/Case Details
File number
2300/XXX/2018
Letter number (in absence of file numb
XX-234-2221-11
Category *
Service Related
Reference no. of correspondence made
XX-XX-XXX
File/Case Description *
This case has been pending for long.
Are you sure?
You won't be able to revert this!
Yes, Submit!
Cancel
Attach relevant/Supporting Documents (if any)
Choose File
No file chosen
Declaration
I/We hereby state that the fact mentioned above are true to the best of my knowledge and belief.
Submit
Back


৪ সম্ভাৱনা সংক্ষিপ্ত ৰূপৰ (এছ ডি বি) সৈতে ইউনিক স্বীকৃতি নম্বৰ সৃষ্টি কৰা হ'ব আৰু ভৱিষ্যৎ প্ৰসংগৰ বাবে এছ এম এছৰ জৰিয়তে প্ৰেৰণ কৰা হ'ব।





৫ আবেদনৰ বাস্তৱ সময়ৰ স্থিতি ম'বাইল নম্বৰৰ জৰিয়তে **OTP** আধাৰিত প্ৰমাণীকৰণ পদ্ধতিৰে ট্ৰেক কৰিব পাৰি।




৬ আবেদনকাৰীয়ে পঞ্জীয়নভুক্ত ম'বাইল নম্বৰ অন্তৰ্ভুক্ত কৰি আবেদনৰ স্থিতি চাব পাৰিব।



# বিভাগৰ বাবে ব্যৱস্থাপূৰ্ণ কৰ্ম পদ্ধতি

**১** প্ৰাপ্ত আৰু নিষ্পত্তি কৰা আবেদনবোৰৰ বাস্তৱ-সময় নিৰীক্ষণৰ বাবে বিভাগীয় ব্যৱহাৰকাৰীয়ে তেওঁলোকৰ ডেছ্বʼৰ্ড (**Dashboard**) ত লগ ইন কৰিব পাৰিব। বিভাগসমূহৰ আবেদন নিষ্পত্তি কৰিবলৈ এটা সৰলীকৃত মাধ্যম থাকিব।




**২** বিভাগীয় নʼডেল বিষয়াসকলে আবেদনৰ স্থিতি আপডেট কৰিব পাৰিব।



# যাত্ৰাৰ অগ্ৰগতি

❖ সম্ভাৱনা প্ৰকল্প সম্পূৰ্ণ হোৱাৰ পাছত বিভাগসমূহে সকলো অমীমাংসিত আবেদনৰ বিষয়ত সিদ্ধান্ত গ্ৰহণ কৰিব।

❖ সময়ানুক্ৰমিকভাৱে সকলো পুৰণি অমীমাংসিত আবেদন আৰু নিষ্পত্তি কৰা পুৰণি ফাইল বিভাগসমূহে ই-অফিচ ব্যৱস্থাপনাৰ জৰিয়তে প্ৰক্ৰিয়াকৰণৰ ইলেকট্ৰ'নিক পদ্ধতিৰ দিশত উন্নীতকৰণ কৰা হ'ব।

❖ ই-অফিচ ব্যৱস্থাপনাই অসমত স্বচ্ছ সচিবালয়ৰ ধাৰণা সম্পূৰ্ণ কৰাত সহায় কৰিব —
- পুৰণি ফাইল আৰু ৰেকৰ্ডৰ সংৰক্ষণমূলক কাৰ্যই অধিক সুশৃংখলিত পৰিৱেশ সৃষ্টি
- পৰিৱেশ অনুকূল ঃ কাগজ সংৰক্ষণ আৰু পৰোক্ষভাৱে প্ৰাকৃতিক সম্পদ ৰক্ষা
- বৃহৎ ব্যয় সঞ্চয় ঃ কাগজ আৰু অন্যান্য সম্পৰ্কীয় ষ্টেচনাৰী ব্যয় হ্ৰাস
- সেউজ কাৰ্যালয়

❖ মাননীয় মুখ্যমন্ত্ৰীৰ নিৰ্দেশনা অনুসৰি, ই-অফিচ ২০২৩ৰ মে'ৰ ভিতৰত কাৰ্যকৰী কৰিব লাগিব।



জনসংযোগ অসম

অসম চৰকাৰ
Govt of Assam

सत्यमेव जयते

জনতাৰ চৰকাৰ | my GOV मेरी सरकार

# সদ্ভাৱনা প্ৰকল্প

তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ দ্বাৰা প্ৰচাৰিত